পাঠ-১৭

আমাৰ দেশ ভাৰতবৰ্ষ

আমাৰ দেশখনৰ নাম ভাৰতবৰ্ষ। ই এখন অতি প্ৰাচীন দেশ। প্ৰাচীনকালত 'ভৰত' নামৰ এজন বৰ প্ৰতাপী ৰজাই ইয়াত ৰাজত্ব কৰিছিল। ভৰত ৰজাৰ নাম অনুসৰি আমাৰ দেশখনৰ নাম ভাৰতবৰ্ষ হয় বুলি পণ্ডিত সকলে কয়। আনহাতে ভাৰতবৰ্ষৰ মাজেদি বৈ যোৱা সিন্ধু নৈ, যাক 'লেটিন' ভাষাত 'ইন্দাজ' বুলি কোৱা হয়, সেই 'ইন্দাজ' শব্দৰ পৰাই ইংৰাজীত ইণ্ডিয়া হয় বুলি কোনো কোনোৱে কয়।



হিমালয় পৰ্বতে ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূবৰ সীমান্ত অঞ্চল আগুৰি আছে। ভাৰতবৰ্ষৰ সীমাত কেইবাখনো বিদেশী ৰাষ্ট্ৰ আছে। উত্তৰ দিশত থকা ৰাষ্ট্ৰ কেইখন হ'ল নেপাল, ভূটান আৰু চীন দেশ। পূব দিশত ম্যানমাৰ, পশ্চিম আৰু উত্তৰ-পশ্চিম দিশত পাকিস্তান আৰু আফগানিস্তান আছে। দক্ষিণৰ শেষস্থানৰ কাষতেই শ্ৰীলংকা দ্বীপ অৱস্থিত। ভাৰত ভূ-খণ্ডৰ পূব-পশ্চিম আৰু দক্ষিণ দিশক সাগৰ-মহাসাগৰে আগুৰি আছে। পূবে বংগোপসাগৰ, পশ্চিমে আৰব সাগৰ আৰু দক্ষিণে ভাৰত মহাসাগৰ আছে।

➢ **সিপিঠিৰ মানচিত্ৰ চাই লিখা —**

(ক) ভাৰতৰ কোন কোন দিশত কি কি সাগৰ আৰু মহাসাগৰ আছে?

(খ) ভাৰতৰ কোন কেইখন ৰাজ্যৰ সীমা বাংলাদেশৰ সীমাৰ সৈতে লগ লাগি আছে?

(গ) ম্যানমাৰ ৰাষ্ট্ৰ ভাৰতৰ কোন দিশত আছে?

(ঘ) ভাৰতৰ উত্তৰ দিশত থকা বিদেশী ৰাষ্ট্ৰকেইখনৰ নাম কি কি?

ভাৰতৰ প্ৰাকৃতিক বিভাগ—

আমাৰ ভাৰতবৰ্ষখন বিভিন্ন ভূ-প্ৰকৃতি, যেনে—পৰ্বত-পাহাৰ, নৈ, বনভূমি, মালভূমি, মৰুভূমি, উপকূল আদিৰে ভৰা। এই প্ৰাকৃতিক অৱয়বসমূহে সৃষ্টি কৰা মনোৰম পৰিৱেশে ভাৰতৰ সভ্যতা, সংস্কৃতি তথা ভাৰতীয় মানুহৰ জীৱনধাৰণ প্ৰণালীত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

ভূ-প্ৰাকৃতিকভাৱে ভাৰতক চাৰিটা ভাগত ভগাব পাৰি—

(১) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল।

(২) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল।

(৩) দক্ষিণৰ মালভূমি অঞ্চল।

(৪) উপকূলীয় অঞ্চল।

(১) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল —

হিমালয় পৰ্বতমালাই ভাৰতৰ উত্তৰ আৰু পূব দিশক আগুৰি আছে। কাশ্মীৰৰ নংগ পৰ্বতৰ পৰা অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তলৈকে হিমালয় আৰু ইয়াৰ ঠাল-ঠেঙুলিৰে উত্তৰৰ **পাৰ্বত্য অঞ্চল**টো গঠিত। হিমালয় পৰ্বতৰ উচ্চ অংশ আৰু শৃংগবোৰ বছৰৰ সৰহ সময় বৰফেৰে আবৃত হৈ থাকে। ইয়াত মানুহৰ বসতি পাতল। উত্তৰ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বহুতো নৈৰ উৎপত্তি স্থল হৈছে এই পাৰ্বত্য অঞ্চল। হিমালয়ৰ নামনি অঞ্চল গছ-গছনিৰে ভৰা। ইয়াত ফল-মূল, গোমধান, চাহ আদি খেতি কৰা হয়। এই অঞ্চলতে দাৰ্জিলিং, নাইনিতাল, ডেৰাডুন, কুলু, মানালি, মুচৌৰি, কাশ্মীৰ, গেংটক আদি সুন্দৰ সুন্দৰ নগৰবোৰ অৱস্থিত। স্বাস্থ্যকৰ জলবায়ু, মনোৰম প্ৰাকৃতিক দৃশ্য, আমোদ-প্ৰমোদৰ সুবিধা থকা বাবেই বহুতো দেশী-বিদেশী পৰ্যটকক এই নগৰসমূহে আকৰ্ষণ কৰে।

➢ পাৰ্বত্য অঞ্চলৰ নগৰবোৰে দেশী-বিদেশী পৰ্যটকক কিয় আকৰ্ষণ কৰে?



(২) উত্তৰৰ সমভূমি অঞ্চল —

এই অঞ্চল ভাৰতৰ পশ্চিম সীমাৰ পৰা পূবে অসমলৈকে বিস্তৃত হৈ আছে। এই অঞ্চল প্ৰায় সমতল। সিন্ধু নৈ আৰু ইয়াৰ উপনৈসমূহৰ উপত্যকা অঞ্চল, ব্ৰহ্মপুত্ৰ, গংগা, যমুনা নৈৰ উপত্যকা অঞ্চল আৰু ৰাজস্থানৰ মৰুভূমি অঞ্চল মিলি এই **সমভূমি অঞ্চল** গঠিত। ব্ৰহ্মপুত্ৰ, গংগা, যমুনা, শতদ্ৰু আদি প্ৰধান নৈ এই অঞ্চলৰ মাজেদি বৈ গৈছে। নৈৰ পলসেৰে গঠিত হোৱা বাবে এই অঞ্চলৰ মাটি বৰ সাৰুৱা আৰু খেতিৰ কাৰণে উপযোগী। গতিকে ইয়াত ধান, মাহ, ঘেঁহু, সৰিয়হ, কুঁহিয়াৰ, ফল-মূল আৰু বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি হয়। এই অঞ্চলত জনবসতি ঘন আৰু যাতায়াতৰ ব্যৱস্থা উন্নত। বহুতো বৃহৎ নগৰ এই অঞ্চলত গঢ়ি উঠিছে। নতুন দিল্লী, লক্ষ্ণৌ, পাটনা, চণ্ডীগড়, জয়পুৰ, গুৱাহাটী, ক'লকাতা আদি নগৰসমূহ উত্তৰৰ সমভূমি অঞ্চলত অৱস্থিত।

উত্তৰৰ সমভূমি অঞ্চলৰ পশ্চিম অংশত বৰষুণ বৰ কমকৈ হয়। এই অঞ্চলটো মৰুভূমি আৰু বালিৰে ভৰা অঞ্চলটোৰ জলবায়ু প্ৰায়ে গৰম আৰু শুকান হৈ থাকে। সেৰেঙাকৈ থকা সৰু সৰু কাঁইটীয়া উদ্ভিদৰ বাহিৰে অন্যান্য উদ্ভিদ প্ৰায় দেখিবলৈ পোৱা নাযায়। ভাৰতৰ বিশাল থৰ মৰুভূমি এই অঞ্চলৰ অন্তৰ্গত। ইয়াৰ আশে পাশে থকা কিছুমান ঠাইত জলসিঞ্চনৰ সহায়ত বজৰা, ঘেঁহু, চীনা বাদাম আৰু মাহ জাতীয় শস্যৰ খেতি কৰা হয়।

চিন্তা কৰি লিখা

➤ উত্তৰৰ সমভূমি অঞ্চলৰ মাটি কিয় সাৰুৱা?

(৩) দক্ষিণৰ মালভূমি অঞ্চল —

সমভূমি অঞ্চলৰ দক্ষিণফালে থকা বৃহৎ মালভূমি অঞ্চলটোৱেই হ'ল **দক্ষিণৰ মালভূমি** বা **দাক্ষিণাত্য মালভূমি অঞ্চল**। এই অঞ্চলটো পশ্চিমৰ পৰা দক্ষিণ-পূৰবলৈ এঢলীয়া। ইয়াত থকা উল্লেখযোগ্য নৈসমূহ হ'ল মহানদী, গোদাবৰী, কৃষ্ণা, কাবেৰী আদি। এই আটাইবোৰ নৈয়েই পশ্চিমৰ পৰা পূবলৈ আহি বংগোপসাগৰত পৰিছে। আনহাতে উত্তৰ অংশত থকা বিন্ধ্য পৰ্বত আৰু সাতপুৰা পৰ্বতৰ মাজৰ অংশটো পূবৰ পৰা পশ্চিমলৈ ঢাল খোৱা। সেইবাবে নৰ্মদা আৰু তাপ্তী নৈ দুখন পূবৰ পৰা পশ্চিমলৈ বৈ গৈ আৰব সাগৰত পৰিছে। এই অঞ্চলৰ আন কেইখনমান প্ৰধান পৰ্বত হ'ল আৰাৱলী, মহাদেৱ, পূৰ্বঘাট, পশ্চিমঘাট আৰু দক্ষিণে থকা নীলগিৰি আদি। ইয়াত থকা উল্লেখযোগ্য মালভূমি সমূহ হ'ল— মালৱ আৰু চোটনাগপুৰ মালভূমি। মালভূমি অঞ্চলত কপাহ, কুঁহিয়াৰ, যৱ ধানৰ খেতি কৰা হয়। নীলগিৰি পাহাৰত চাহ আৰু কফি খেতি কৰা হয়। এই অঞ্চলৰ পাহাৰবোৰত চন্দন গছ যথেষ্ট হয়।

➤ দক্ষিণৰ মালভূমি অঞ্চলৰ বংগোপসাগৰত পৰা নৈকেইখনৰ নাম লিখা।

➤ আৰব সাগৰত পৰা নৈ দুখনৰ নাম লিখা।

(৪) উপকূলীয় অঞ্চল —

দক্ষিণ ভাৰতৰ সাগৰৰ পাৰে পাৰে থকা সমতল অঞ্চলেই হৈছে **উপকূল অঞ্চল**। ভাৰতৰ এই উপকূল অঞ্চল পূব উপকূল আৰু পশ্চিম উপকূল এই দুই ভাগত বিভক্ত। পশ্চিমঘাট পৰ্বতৰ কাষে কাষে থকা পশ্চিমৰ উপকূলভাগ বৰ ঠেক। তাৰ তুলনাত পূবৰ উপকূল বহল। উপকূলীয় অঞ্চলত সাগৰীয় বতাহ বলে কাৰণে গৰম আৰু ঠাণ্ডাৰ পাৰ্থক্য কম। পশ্চিম উপকূলত যথেষ্ট পৰিমাণে বৰষুণ হয় কাৰণে গভীৰ অৰণ্য অঞ্চল আছে। উপকূলীয় অঞ্চলত অধিক পৰিমাণে নাৰিকলৰ খেতি হয়। ঠায়ে ঠায়ে ধান খেতিও কৰা হয়। ইয়াৰ উপকূল অঞ্চলত কেইবাটাও বন্দৰ আছে। এই বন্দৰসমূহেৰে পৃথিৱীৰ বিভিন্ন ঠাইৰ লগত সাগৰীয় পথেৰে বেহা-বেপাৰ চলে। উপকূল অঞ্চলত থকা ৰাজ্যকেইখন হ'ল — গুজৰাট, মহাৰাষ্ট্ৰ, গোৱা, কৰ্ণাটক, কেৰেলা, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যা।

➤ ভাৰতৰ উপকূল অঞ্চলত থকা ৩ টা বন্দৰৰ নাম লিখা।

ভাৰতৰ প্ৰাকৃতিক বিভাগৰ উপৰি আৰব সাগৰত থকা লাক্ষা দ্বীপপুঞ্জ আৰু বংগোপসাগৰত থকা আন্দামান-নিকোবৰ দ্বীপপুঞ্জক লৈ এটা সুকীয়া ভাগ কৰিব পাৰি।



মানচিত্ৰখন চাই লিখা—

➤ দুখন পৰ্বতৰ নাম

➤ দুখন নৈৰ নাম

ভাৰতবৰ্ষ এখন বিশাল দেশ। ২৯ খন ৰাজ্য আৰু ৭ খন কেন্দ্ৰীয় শাসিত অঞ্চলেৰে আমাৰ দেশখন গঠিত। নতুন দিল্লী ভাৰতবৰ্ষৰ ৰাজধানী।

জানি লওঁ আহা—

ৰাজ্যৰ নাম	ৰাজধানীৰ নাম	ৰাজ্যৰ নাম	ৰাজধানীৰ নাম
অসম	দিছপুৰ	ত্ৰিপুৰা	আগৰতলা
অৰুণাচল প্ৰদেশ	ইটানগৰ	কেৰেলা	থিৰুৱন্তপুৰম
মেঘালয়	ছিলং	কৰ্ণাটক	বাংগালুৰু
মণিপুৰ	ইম্ফল	গোৱা	পানাজি
মিজোৰাম	আইজল	গুজৰাট	গান্ধীনগৰ
নাগালেণ্ড	ক'হিমা	মহাৰাষ্ট্ৰ	মুম্বাই
চিকিম	গেংটক	মধ্যপ্ৰদেশ	ভূপাল
পশ্চিমবংগ	ক'লকাতা	উত্তৰ প্ৰদেশ	লক্ষ্ণৌ
বিহাৰ	পাটনা	উত্তৰাখণ্ড	ডেৰাডুন
ঝাড়খণ্ড	ৰাঁচী	পঞ্জাৱ	চণ্ডীগড়
উৰিষ্যা	ভূবনেশ্বৰ	হিমাচল প্ৰদেশ	চিমলা
ছত্তিশগড়	ৰায়পুৰ	হাৰিয়ানা	চণ্ডীগড়
অন্ধ্ৰপ্ৰদেশ	হায়দৰাবাদ	জম্মু আৰু কাশ্মীৰ	শ্ৰীনগৰ
তেলেংগানা	হায়দৰাবাদ	ৰাজস্থান	জয়পুৰ
তামিলনাডু	চেন্নাই		

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ হ'ল— দিল্লী, চণ্ডীগড়, পণ্ডিচেৰী, আন্দামান-নিকোবৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, দমন আৰু ডিউ, দাদ্ৰা আৰু নগৰ হাভেলী।

আমাৰ ভাৰতবৰ্ষত ধৰ্ম, সংস্কৃতি, সাজপাৰ আদি নানা দিশত ভিন্নতা আছে। ইয়াত হিন্দু, ইছলাম, শিখ, খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰি আছে। অঞ্চলভেদে উৎপাদিত বস্তু ভিন ভিন হোৱা হেতুকে আমাৰ মাজত খাদ্যৰ অভ্যাসৰ ক্ষেত্ৰত ভিন্নতা আছে। উদাহৰণস্বৰূপে পঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ আদিত প্ৰচুৰ পৰিমাণে গম উৎপাদন হয়। সেই কাৰণে তাৰ মানুহৰ মূল খাদ্য ৰুটি। আনহাতে উৰিষ্যা, অসম, পশ্চিমবংগ আদিত ধান প্ৰচুৰ পৰিমাণে উৎপাদন হোৱাৰ বাবে এইবোৰ অঞ্চলৰ মানুহৰ প্ৰধান আহাৰ হৈছে ভাত। আমাৰ দেশত বিভিন্ন ভাষা-ভাষী লোক আছে। ইয়াত ২৫০ টাতকৈও অধিক ভাষা-উপভাষা আছে। ইয়াৰে ২২ টা ভাষা সংবিধানৰ অন্তৰ্ভুক্ত।

কেইবাটাও ভাষা-ভাষী, ধৰ্ম আৰু সামাজিক ৰীতি-নীতি পালন কৰা লোকসকলৰ মাজত কিছু সামাজিক ভিন্নতা থাকিলেও সকলোৱে মিলা-প্ৰীতি আৰু সহযোগিতাৰে বসবাস কৰি থাকে। ভিন্নতা থাকিলেও সকলো ভাষা, সংস্কৃতি আৰু ধৰ্মক আমি সমানে সন্মান আৰু শ্ৰদ্ধা কৰোঁ। সেই কাৰণে সকলোৱে বাবে ভাৰত এখন মিলনভূমি। এই মিলন হৈছে জাতি, ভাষা আৰু সংস্কৃতিৰ মিলন। সেয়ে ভাৰতৰ সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য হ'ল 'অনৈক্যৰ মাজত ঐক্য'।

- ওপৰৰ ছবিত দেখুওৱা বিভিন্ন সাজপাৰ পৰিধান কৰা ব্যক্তিসকল কোন কোন ৰাজ্যৰ কোৱা।

ভাৰতবৰ্ষৰ দৰে বিকাশশীল দেশত ৰাষ্ট্ৰীয় সংহতিৰ গুৰুত্ব অসীম। জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে একাত্ম হৈ দেশ আৰু দেশৰ জনগণৰ প্ৰতি যি সন্মান আৰু সদ্ভাৱ দেখুওৱা হয়, সেয়েই হৈছে **ৰাষ্ট্ৰীয় সংহতি**। শান্তি-সম্প্ৰীতি আৰু একতা থাকিলেহে দেশৰ প্ৰগতি সম্ভৱ। এই ঐক্য, শান্তি-সম্প্ৰীতি তেতিয়াহে অটুট থাকিব, যেতিয়া আমাৰ সমাজত বাস কৰা বিভিন্ন ধৰ্ম, ভাষা, জাতি-উপজাতিৰ লোকৰ মাজত একতা, মিলা-প্ৰীতি আৰু সহযোগিতা থাকিব।

সংহতি হৈছে— ৰাষ্ট্ৰখনৰ ঐক্য, শান্তি আৰু প্ৰগতিৰ মূল চাবি-কাঠি।

ছবিত দিয়া ব্যক্তিসকলে ৰাষ্ট্ৰীয় সংহতিৰ হকে কি কি কাম কৰি থৈ গৈছে চমুকৈ জানোঁ আহা—

- জাতিৰ পিতা মহাত্মা গান্ধীৰ অহিংসা নীতিয়ে স্বাধীনতা আন্দোলন সফল কৰিছিল।
- স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে জাতি-ধৰ্মৰ মাজত বিভেদ নাৰাখি সকলোকে একে ভাৰতীয় নাগৰিক হ'বলৈ আহ্বান জনাইছিল।
- ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম ভাৰতীয় মহিলা সভানেত্ৰী সৰোজিনী নাইডুৱে কবিতাৰ জৰিয়তে দেশ-প্ৰেমৰ ভাব জগাই তুলিছিল।
- ভাৰতৰ স্বাধীন হোৱাৰ পাছত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। ভাৰতৰ অখণ্ডতা আৰু স্বাধীনতাৰ প্ৰতি দেখুওৱা তেওঁৰ মহান ত্যাগ আমাৰ সকলোৰে বাবে অনুকৰণীয়।

এই সকলৰ উপৰি আমাৰ দেশত ৰাষ্ট্ৰীয় সংহতিলৈ অৰিহণা যোগোৱা আন বহুতো নেতা আৰু নেত্ৰী আছে।

➢ আমাৰ ৰাষ্ট্ৰীয় দিৱসসমূহ কি কি?

ৰাষ্ট্ৰীয় সংহতি অটুট ৰাখিবলৈ আমি নিজাববীয়াকৈ কিছুমান প্ৰচেষ্টা হাতত ল'ব লাগিব। সেইবোৰৰ কিছু কথা জানি লওঁ আহা—

- মাতৃ-ভাষাৰ উপৰি আমি আমাৰ চুবুৰীয়া জনজাতিসকলৰ ভাষা শিকিব লাগিব। যিমানেই ভাষা ক'ব পাৰিম সিমানেই আমাৰ মাজৰ ভিন্নতা দূৰ হ'ব। ভাষাৰ জৰিয়তে ভাবৰ বিনিময় কৰিব পাৰি।
- আমাৰ ৰাষ্ট্ৰীয় দিৱসবোৰেও ৰাষ্ট্ৰীয় সংহতি অনাত সহায় কৰে। এই ৰাষ্ট্ৰীয় দিৱসসমূহ, যেনে— স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, গান্ধী জয়ন্তী আদি উৎসৱত সকলো ভাৰতীয়ই অঞ্চল, ধৰ্ম, ভাষা, জাতি আদি ভেদা-ভেদ পাহৰি এক হৈ অংশগ্ৰহণ কৰিব লাগে।
- সাংস্কৃতিক বিনিময়ৰ জৰিয়তে বিভিন্ন জাতি-উপজাতিৰ গীত-মাত, নৃত্য, খেল-ধেমালি, বাদ্যযন্ত্ৰ, সাহিত্য, কলা-সংস্কৃতিৰ বিষয়ে জানিব পাৰি। এইবোৰে আমাৰ মাজত থকা পাৰ্থক্যবোৰ পাহৰাই একতা তথা সহযোগিতাৰ ডোলেৰে বান্ধি ৰাখে।

অনুশীলনী

১। উত্তৰ লিখা —

(ক) ভাৰতবৰ্ষৰ চাৰিসীমাত থকা ৰাষ্ট্ৰকেইখনৰ নাম।

(খ) ভাৰতবৰ্ষৰ প্ৰধান প্ৰাকৃতিক অঞ্চলসমূহৰ নাম।

(গ) ভাৰতৰ চাৰিখন প্ৰধান নৈৰ নাম।

(ঘ) দক্ষিণৰ মালভূমি অঞ্চলৰ চাৰিখন পৰ্বতৰ নাম।

(ঙ) উপকূল অঞ্চলত থকা ৰাজ্যকেইখনৰ নাম।

(চ) ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাৰ নাম।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।

'ক'	'খ'
চিকিম	ৰাঁচী
তামিলনাডু	মুম্বাই
হাৰিয়ানা	চেন্নাই
ঝাড়খণ্ড	গেংটক
মহাৰাষ্ট্ৰ	চণ্ডীগড়

৩। তলৰ উক্তিসমূহ শুদ্ধ কৰি লিখা —

(ক) থৰ মৰুভূমি উত্তৰৰ সমভূমি/উপকূল অঞ্চলত অৱস্থিত।

(খ) পাৰ্বত্য অঞ্চলত ধান খেতি/গোমধানৰ খেতি হয়।

(গ) মৰুভূমিত বালি/পানীৰ অভাৱ।

(ঘ) গোদাবৰী/গংগা দক্ষিণৰ মালভূমি অঞ্চলৰ মাজেদি বৈ যোৱা নৈ।

(ঙ) মৰুভূমিত জনবসতি পাতল/ঘন।

৪। খালী ঠাই পূৰ কৰা —

(ক) ভাৰতবৰ্ষত ________ খন ৰাজ্য আছে।

(খ) থৰ এখন ________।

(গ) পশ্চিমঘাট পৰ্বত ________ অঞ্চলত অৱস্থিত।

(ঘ) ________ পৰ্বতমালাই ভাৰতৰ পশ্চিম, উত্তৰ আৰু পূব দিশক আগুৰি আছে।

(ঙ) ভাৰতৰ ৰাজধানী________।

৫। ভাৰত নামটোৰ উৎপত্তিৰ বিষয়ে লিখা।

৬। ৰাষ্ট্ৰীয় সংহতি বুলিলে কি বুজা?

৭। মালভূমি অঞ্চলত কি কি খেতি কৰা হয়?